**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আজিৰে পৰা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে – দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুষংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ছইল হেল্‌থ কাৰ্ডৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰ কৰা ব্যৱস্থা কৰা হ'ব।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হ'ব। ধেমাজিৰ বাটঘৰীয়া গাঁও পঞ্চায়তত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

যোৰহাট জিলাত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযান সফলভাৱে ৰূপায়ণৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী, জিলা কৃষি বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰতিনিধিকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলাত জিলা কৃষি বিভাগ, পশু চিকিৎসা বিভাগ, মীন পালন বিভাগ আৰু জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ ৮টা খণ্ড আৰু বিশ্বনাথ জিলাৰ দুটা খণ্ড সামৰি এই অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ অধীনত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী, সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু আগশাৰীৰ কৃষকসকলক লৈ গঠিত দুটা দলে প্ৰতিদিনে চাৰিখনকৈ গাঁও পঞ্চায়তত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিব।

০০০০০০

স্নাতকোত্তৰ শিক্ষক পদৰ বাবে যোৱা ১৯ জানুৱাৰীত অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাত লাভ কৰা নম্বৰসমূহ কাইলৈ দিনৰ ১১ বজাৰ পৰা ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইটত উপলব্ধ হ'ব। এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক মমতা হোজায়ে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে ৱেবছাইটৰ পৰা নম্বৰসমূহ ডাউনলোড কৰিব পাৰিব। যিসকল প্ৰাৰ্থী নথিপত্ৰ পৰীক্ষাৰ বাবে বাছনি হ'ব, তেওঁলোকে প্ৰৱেশ পত্ৰ ডাউনলড কৰিব পাৰিব। বাছনি হোৱা প্ৰাৰ্থীসকলে পৰৱৰ্ত্তী নিৰ্ধাৰিত তাৰিখ আৰু সময়ত নথি পৰীক্ষণত উপস্থিত থাকিব লাগিব। নথি পৰীক্ষণ ছটা মণ্ডলত সম্পন্ন হ'ব বুলি জনোৱা হৈছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ভৱনত আজি  বিয়লি চাৰে তিনি বজাৰপৰা সম্বৰ্ধনা সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।  অনুষ্ঠানটোত অসম সাহিত্য সভাই  'সাহিত্যাচাৰ্য' সম্মানেৰে বিভূষিত কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° আনন্দ বৰমুদৈ, লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্ৰাক্তন প্ৰাধ্যাপক ড° কৰৱী ডেকা হাজৰিকা আৰু অসমীয়া বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক ড° ভীমকান্ত বৰুৱাক বিশ্ববিদ্যালয়ৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা  হ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ  উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকাৰ সভাপতিত্বত হ'বলগীয়া এই  অনুষ্ঠানতে বিশ্ববিদ্যালয়ৰ প্ৰকাশন শাখাই শেহতীয়াকৈ প্ৰকাশ কৰা তিনিখন গ্ৰন্থ ক্ৰমে- ড° পূৰৱী দেৱীৰ আধুনিক বিজ্ঞান আৰু নাৰী জাগৰণ; ড° যোগেন্দ্ৰনাথ শৰ্মাৰ আলফ্ৰেড ৰেগনাৰ আৰু ড° জ্যোতিপ্ৰসাদ শইকীয়া আৰু ড° পৰমানন্দ সোনোৱালৰ দ্বাৰা সম্পাদিত দ্য ব্ৰহ্মক্ষপুত্ৰ: লাইফলাইন অব নৰ্থইষ্ট ইণ্ডিয়া গ্ৰন্থ কেইখন উন্মোচন  কৰা হ’ব।

০০০০০০

ডিব্ৰুগড় জিলা প্ৰশাসনে সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যৱসায়ীসকলক নিৰ্দেশনা প্ৰদান কৰিছে। নিৰ্দেশনাটোত ব্যৱসায়ীসকলক সকলো সময়তে অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ কোৱা হৈছে। গ্ৰাহকে সহজতে দেখা পোৱাকৈ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সন্মুখত সামগ্ৰীৰ ষ্টক আৰু মূল্যৰ স্পষ্ট তথ্য সম্বলিত এখন ফলক আঁৰিবলৈও নিৰ্দেশ দিয়া হৈছে।

০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ভাৰতীয় বন সেৱা বিষয়াৰ পৰিবেশ তন্ত্ৰ স্বাস্থ্য কাৰ্ড প্ৰস্তুতকৰণ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাখন সফলভাৱে সমাপ্ত হয়। ভাৰত চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাত দেশৰ ৭ খন ৰাজ্যৰ ১০ গৰাকীকৈ উচ্চপদস্থ বন বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০০

তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন বিশেষ বৈঠক অনুষ্ঠিত  হয়। বৈঠকত ডুমডুমা ৰাজহ চক্ৰৰ অধীনস্থ কৰদৈগুৰি অঞ্চলৰ খহনীয়া পৰিস্থিতি পৰ্যালোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত স্বপ্নীল পালে তিনিচুকীয়া জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাক অঞ্চলটোৰ খহনীয়া ৰোধৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰাৰ নিৰ্দেশ দিয়ে।

০০০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ অসম-মেঘালয় সীমান্তৰ আম-ইহস্থিত লাংলংছৰত স্থানীয় বৈঠালাংছ’ সমষ্টিৰ বিধায়ক ৰূপছিং টেৰনৰ তত্ত্বাৱধানত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয় । বনবিভাগৰ পৰিদৰ্শন ভৱনত অনুষ্ঠিত এই বৈঠকত কাৰ্বি আংলং স্বায়ত্ত্বশাসিত পৰিষদৰ অন্তৰ্গত কৰবিভাগৰ প্ৰৱেশ কৰৰ দুৱাৰ প্ৰতিষ্ঠাৰ বাবে কাৰ্বি আৰু পানাৰ খাছী

জনগোষ্ঠীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ আলোচনা কৰা হয় । বৈঠকৰ অন্তত দুয়োপক্ষই শান্তিপূৰ্ণভাৱে কেইবাটিও ইতিবাচক প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰৱেশ কৰৰ দুৱাৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে । বৈঠকত কাৰ্বি পৰিষদৰ অন্তৰ্গত কৰ উপদেষ্টা বৰ্ডৰ অধ্যক্ষ লিপচন বে'ইও উপস্থিত থাকে ।

oooooo

সমাপ্ত